জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ২৫৫/২০২২**

## সদৌ অসম কৰ্মচাৰী পৰিষদৰ নেতৃবৰ্গৰ মুখ্যমন্ত্ৰীৰ সৈতে বৈঠক

# বিষয়া-কৰ্মচাৰীসকলৰ কল্যাণৰ বাবে ৰাজ্য চৰকাৰ দায়বদ্ধ ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৫ আগষ্ট ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভাকক্ষত সদৌ অসম কৰ্মচাৰী পৰিষদৰ নেতৃবৰ্গৰ সৈতে এক বৈঠকত মিলিত হৈ ৰাজ্য চৰকাৰৰ অধীনস্থ বিষয়া-কৰ্মচাৰীসকলৰ বাবে থকা চিকিৎসা ব্যয় পৰিশোধ ব্যৱস্থাৱলী অধিক সৰলীকৰণ কৰা সন্দৰ্ভত আলোচনা কৰে। এই বৈঠকত মুখ্যমন্ত্ৰী ড° শৰ্মাই নতুন ব্যৱস্থাৰ অধীনত ৰাজ্য চৰকাৰৰ অধীনস্থ বিষয়া-কৰ্মচাৰীসকলৰ বাবে যিসমূহ সুবিধা প্ৰস্তাৱ কৰা হৈছে সেই সম্পৰ্কে পৰিষদৰ বিষয়ববীয়াসকলক অৱগত কৰি তেওঁলোকৰ মতামত জনাবৰ বাবে আহ্বান জনায়। ৰাজ্য চৰকাৰৰ অধীনস্থ বিষয়া-কৰ্মচাৰীসকলৰ কল্যাণৰ বাবে ৰাজ্য চৰকাৰ দায়বদ্ধ বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে নতুন ব্যৱস্থাৰ অধীনত বিষয়া বা কৰ্মচাৰী এজনৰ চিকিৎসা ব্যয় পৰিশোধ কৰাৰ ক্ষেত্ৰত একাধিক কতৃৰ্পক্ষৰ অনুমোদনৰ ব্যৱস্থা আদি আঁতৰাই ক্ষিপ্ৰতাৰে আৰু সময় নিৰ্দ্ধাৰিতভাৱে ধনৰাশি আদায়ৰ প্ৰস্তাৱ কৰা হৈছে। তেনেদৰে এই নতুন সৰলীকৃত ব্যৱস্থাৰ অধীনত ৰাজ্য চৰকাৰৰ অধীনস্থ বিষয়া-কৰ্মচাৰীসকলক কেন্দ্ৰীয় চৰকাৰৰ স্বাস্থ্য সেৱা আঁচনিৰ দৰেই সা-সুবিধাসমূহ প্ৰদানৰো প্ৰস্তাৱ কৰা হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে সদৰি কৰে।

আনহাতে, আজিৰ এই বৈঠকতে সদৌ অসম কৰ্মচাৰী পৰিষদৰ নেতৃবৰ্গই বিভিন্ন বিভাগত ২০১৭ চনৰ পৰা কৰ্মৰত মাষ্টাৰ ৰোল / কেজুৱেল / ফিক্সড্ পে কৰ্মচাৰীৰ তিনি শতাংশ বছৰেকীয়া বৃদ্ধি (Annual Increment) আদায় দিয়াৰ লগতে ২০০৫ চনত মাষ্টাৰ ৰোল, ৱৰ্ক ছাৰ্জ কৰ্মচাৰীৰ বাবে ব্যক্তি বিশেষ পদ (Personal Post) সৃষ্টি কৰি চাকৰি নিয়মীয়া কৰা প্ৰায় ৩১ হাজাৰ কৰ্মচাৰীৰ বিত্ত বিভাগৰ পৰা বাৰ্ষিক ৰিটেনচন লোৱাৰ ব্যৱস্থা ৰেহাই দিবলৈ মুখ্যমন্ত্ৰীক আবেদন জনায়। ইয়াৰ পৰিপ্ৰেক্ষিততে মুখ্যমন্ত্ৰী ড° শৰ্মাই বিভিন্ন বিভাগত কৰ্মৰত মাষ্টাৰ ৰোল / কেজুৱেল / ফিক্সড্ পে কৰ্মচাৰীসকললৈ তিনি শতাংশ বছৰেকীয়া বৃদ্ধি আদায় দিয়াৰ লগতে ২০০৫ চনত নিয়মীয়া কৰা কৰ্মচাৰীসকলৰ বাবে ৰিটেনচন প্ৰতি বছৰৰ পৰিৱৰ্তে প্ৰতি ৫ বছৰৰ মূৰত প্ৰদানৰ ব্যৱস্থা কৰিবলৈ বিত্ত বিভাগক নিৰ্দেশ দিয়ে।

আজিৰ এই বৈঠকত মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব তথা ৰাজ্যসভাৰ সাংসদ পৱিত্ৰ মাৰ্ঘেৰিটা, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ প্ৰধান সচিব অবিনাশ যোশী, অটল অমৃত অভিযান সমিতিৰ মুখ্য কাৰ্যবাহী বিষয়া ড° সিদ্ধাৰ্থ সিং, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহা তথা সদৌ অসম কৰ্মচাৰী পৰিষদৰ সভাপতি প্ৰদীপ দত্ত, ভাৰপ্ৰাপ্ত সম্পাদক প্ৰধান শ্যামন্ত দাস, মুখ্য উপদেষ্টা বাসৱ চন্দ্ৰ কলিতাকে ধৰি সংগঠনটোৰ বহুকেইগৰাকী বিষয়ববীয়া উপস্থিত থাকে।

**নিঃকুঃদাঃ**
**২৫/০৮/২০২২**